**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 11-05-2026 **Time :** 0755 Hrs.

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই জ্যেষ্ঠ বিজেপি নেতা ডঃ হিমন্ত বিশ্ব শৰ্মাক ৰাজ্যখনত তৃতীয়বাৰৰ বাবে এন ডি এ শাসনৰ সূচনা কৰি নতুন চৰকাৰ গঠন কৰিবলৈ আমন্ত্ৰণ জনাইছে। বিজেপি নেতৃত্বাধীন এন ডি এৰ বিধায়িনী দলে সৰ্বসন্মতি ক্ৰমে ডঃ হিমন্ত বিশ্ব শৰ্মাক নেতা হিচাপে বাচনি কৰাৰ পাছত তেওঁ কালি মিত্ৰজোঁটৰ নেতাসকলৰ সৈতে ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যৰ ওচৰত আনুষ্ঠানিকভাৱে চৰকাৰ গঠনৰ দাবী জনায়। ডঃ শৰ্মাই লোকভৱনত ৰাজ্যপালগৰাকীক সাক্ষাৎ কৰি নৱনিৰ্বাচিত ১০২ গৰাকী বিধায়কৰ স্বাক্ষৰ সম্বলিত প্ৰস্তাৱ দাখিল কৰে। ডঃ শৰ্মাৰ সৈতে কেন্দ্ৰীয় পৰ্যবেক্ষক জে পি নাড্ডা আৰু নায়াব সিং চাইনীও উপস্থিত থাকে। সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত শ্ৰীনাড্ডাই কয়, যে নিৰ্বাচনৰ ফলাফলে প্ৰধানমন্ত্ৰী মোদীৰ উন্নয়নমূলক নীতিৰ প্ৰতি জনসাধাৰণৰ সমৰ্থনকে প্ৰতিফলিত কৰিলে। তেওঁ লগতে অসমত কেন্দ্ৰৰ জনকল্যাণমূলক আঁচনিসমূহ সফলভাৱে ৰূপায়ণ কৰাৰ বাবে হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ প্ৰশংসা কৰে।

*(বাইট ঃ জে পি নাড্ডা)*

ৰাজ্যখনত নতুন মন্ত্ৰীসভাই কাইলৈ শপতগ্ৰহণ কৰিব। ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু নতুন মন্ত্ৰী পৰিষদৰ সদস্যসকলক পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱাব। গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী তথা এন ডি এ শাসিত ৰাজ্যৰ মুখ্যমন্ত্ৰী, উপ-মুখ্যমন্ত্ৰীসকলৰ লগতে বিজেপিৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকিব বুলি ৰাজ্যিক বিজেপিৰ সূত্ৰই প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে, ৰাজ্যখনৰ শেহতীয়া বিধানসভা নিৰ্বাচনত এন ডি এ মিত্ৰজোঁটে ১২৬ খন আসনৰ ভিতৰত ১০২ খন আসনতে জয়লাভ কৰিছে। ইয়াৰ ভিতৰত বিজেপিয়ে ৮২ খন আসন লাভ কৰাৰ বিপৰীতে অসম গণ পৰিষদ আৰু বি পি এফে ১০ খনকৈ আসন লাভ কৰে। ২০১৬ চনত তেতিয়াৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অধীনত বিজেপি চৰকাৰ প্ৰথমবাৰৰ বাবে শাসনলৈ অহাৰ পাছত অসমত এইবাৰ তৃতীয়বাৰৰ বাবে এন ডি এই পুনৰ চৰকাৰ গঠন কৰিব। ইপিনে, ২০২১ চনত মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰা ডঃ হিমন্ত বিশ্ব শৰ্মা হ'ব দ্বিতীয়বাৰৰ বাবে একেৰাহে মুখ্যমন্ত্ৰী হোৱা প্ৰথমগৰাকী অ-কংগ্ৰেছী নেতা।

শপতগ্ৰহণ অনুষ্ঠানৰ বাবে কামৰূপ মহানগৰ জিলাত যানবাহন নিয়ন্ত্ৰণৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কামৰূপ মহানগৰ জিলা প্ৰশাসনে জনোৱা মতে কাইলৈ পুৱা ৯ বজাৰ পৰা দুপৰীয়া ২ বজালৈ কইনাধৰাৰ পৰা বিমান বন্দৰলৈ গধূৰ আৰু ধীৰ গতিৰ বাহনৰ চলাচল সম্পূৰ্ণৰূপে বন্ধ থাকিব। কইনা ধৰাৰ পৰা জালুকবাৰীৰ অসম অভিযান্ত্ৰিক মহাবিদ্যালয় পইণ্টলৈকে কেৱল পথৰ এটা ফালেৰেহে যান-বাহন চলাচলৰ অনুমতি দিয়া হ'ব। জনসাধাৰণক অসুবিধা এৰাই চলাৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথৰ পৰিৱৰ্তে জি এছ ৰোড ব্যৱহাৰ কৰিবলৈ আৰু বিমান বন্দৰলৈ যোৱা যাত্ৰীসকলক কমেও দুঘণ্টা আগতে যাবলৈ অনুৰোধ জনোৱা হৈছে। নিৰ্দেশনা অনুসৰি ২৭

নম্বৰ আৰু ১৭ নম্বৰ ৰাষ্টীয় ঘাইপথৰ চাৰ্ভিচ লেনৰ লগতে বতাহঘূলী, পাঞ্জাবাৰী, ছয়মাইল, খানাপাৰ আদি অঞ্চলৰ ৰাস্তাৰ কাষত যান বাহন ৰখাই থ'ব নোৱাৰিব। শপত গ্ৰহণ অনুষ্ঠানলৈ অহা বাহনসমূহৰ বাবে সৰুসজাই, বশিষ্ঠ পথ, ছহীদ ন্যাস পথত পাৰ্কিঙৰ ব্যৱস্থা কৰা হ'ব।

০০০০০০০

ৰাজ্যৰ পাঁচগৰাকী বিশিষ্ট সাহিত্যিকলৈ ২০২৫ বৰ্ষৰ অসম সাহিত্য সভাৰ সভাপতিৰ বিশেষ সন্মান আগবঢ়োৱা হৈছে। অহা ১৬ মে'ত গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত হ'বলগীয়া এটা অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰা হ'ব। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই জনোৱা মতে সাহিত্য সভাৰ সাংবিধানিক এই সন্মান এইবাৰ ধেমাজিৰ বিশিষ্ট গৱেষক, চিত্ৰকৰ, লেখক, ড০ পুষ্প গগৈ, ডিব্ৰুগড়ৰ চাহ খেতিয়ক তথা সাহিত্যিক দেৱী প্ৰসাদ বাগ্ৰোদিয়া, নগাঁৱৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা সাহিত্যিক উপেন্দ্ৰ বৰকটকী, গুৱাহাটীৰ বিশিষ্ট সাহিত্যিক তথা জ্যেষ্ঠ সাংবাদিক জিতুমণি বৰা আৰু বঙাইগাঁও জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিশিষ্ট লেখক, কবি তথা গৱেষক নোমল মাহাট্টালৈ আগবঢ়োৱা হৈছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটাৰ শিতানত শোণিতপুৰ জিলাৰ নিউ নপাম গাঁও পঞ্চায়তে শ্ৰেষ্ঠ গাঁও পঞ্চায়তৰ নানাজি দেশমুখ সৰ্বোত্তম পঞ্চায়তৰ বহনক্ষম বিকাশ পুৰস্কাৰ লাভ কৰিছে। দেশৰ বিভিন্ন প্ৰান্তৰ অন্য ৪১ খন পঞ্চায়তকো এই সন্মানৰ বাবে বাছনি কৰা হৈছে। একেদৰে নগাঁৱৰ জুমৰমুৰ গাঁও পঞ্চায়তে স্বচ্ছ আৰু সেউজ পঞ্চায়তৰ সন্মান লাভ কৰিছে। ডিব্ৰুগড় জিলাৰ হুগ্ৰীজান গাঁও পঞ্চায়তে স্ব-নিৰ্ভৰশীল আন্তঃগাঁথনি শিতানত ৰাষ্ট্ৰীয় বঁটা লাভ কৰিবলৈ সমৰ্থ হৈছে।

মিজোৰামৰ উত্তৰ কাৰ'ৰথা নামৰ গাঁওখনে দীনদয়াল উপাধ্যায় পঞ্চায়ত বহনক্ষম বিকাশ পুৰস্কাৰ ২০২৫ৰ অধীনত স্বচ্ছ আৰু সেউজ পঞ্চায়ত শাখাত পুৰস্কৃত হৈছে। বহনক্ষম গ্ৰাম্য উন্নয়ন আৰু পৰিৱেশ সংৰক্ষণৰ দিশত কৰা উন্নয়নমূলক কাম-কাজৰ বাবে গাঁওখনে এই পুৰস্কাৰ লাভ কৰিছে।

পঞ্চায়তীৰাজ মন্ত্ৰালয়ে কিছুদিন পূৰ্বে এই পুৰস্কাৰসমূহ ঘোষণা কৰে। মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে গ্ৰাম্য প্ৰশাসনৰ জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ প্ৰচেষ্টা আৰু পৰিৱেশ অনুকূল অভ্যাস গঠনৰ বাবে গাঁওবাসীক উৎসাহিত কৰাৰ প্ৰয়াসৰ বাবে এই বঁটা প্ৰদান কৰা হৈছে। এই স্বীকৃতিয়ে গ্ৰাম্য প্ৰশাসন আন্তঃগাঁথনিৰ জৰিয়তে তৃণমূল পৰ্যায়ৰ পৰা বহনক্ষম বিকাশ নিশ্চিত কৰাৰ কথাকে প্ৰতীয়মান কৰিছে।

০০০০০০০

**সমাপ্ত**